*Total number of pages – 8*

**30T ADAS**

# 2020

# ADVANCE ASSAMESE

## (NEW COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 2 carries 4 marks* | 4×1 = 4 |
| *Q. No. 3 carries 4 marks* | 4×1 = 4 |
| *Q. No. 4 carries 3 marks each* | 3×3 = 9 |
| *Q. No. 5 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 6 carries 6 marks* | 6×1 = 6 |
| *Q. No. 7 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 8 carries 8 marks* | 8×1 = 8 |
| *Q. No. 9A carries 2 marks* | 2×1 = 2 |
| *Q. No. 9B carries 3 marks* | 3×1 = 3 |
| *Q. No. 9C carries 3 marks* | 3×1 = 3 |
| *Q. No. 10 carries 4 marks* | 4×1 = 4 |
| *Q. No. 11 carries 5 marks* | 5×1 = 5 |
| *Q. No. 12A carries 2 marks* | 2×1 = 2 |
| *Q. No. 12B carries 1 mark* | 1×1 = 1 |
| *Q. No. 12C carries 2 marks* | 2×1 = 2 |
| *Q. No. 13 carries 6 marks* | 6×1 = 6 |
| *Q. No. 14 carries 4 marks* | 4×1 = 4 |
| *Q. No. 15A or 15B carries 6 marks* | 6×1 = 6 |
| *Q. No. 15C carries 3 marks* | 3×1 = 3 |
| *Q. No. 15D carries 1 mark* | 1×1 = 1 |
| *Q. No. 16 carries 6 marks* | 6×1 = 6 |
| *Q. No. 17 carries 6 marks* | 6×1 = 6 |
| *Q. No. 18 carries 1 mark each* | 1×3 = 3 |
| | Total =100 |

*Contd.*

Scanned with CamScanner

১। চমু উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) শংকৰদেৱৰ শেষ নাটখনৰ নাম লিখাঁ।

(খ) অসমীয়া সাহিত্যত গীতি-কবিতাৰ প্ৰকৃত প্ৰৱৰ্তক বুলি কাক কোৱা হয়?

(গ) সুধাৰ কাৰণে কোনে সিন্ধু-মথন-গান গাইছিল?

(ঘ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিত উল্লেখ কৰা নদীখনৰ নাম কি?

২। (ক) ঋতু পৰিবৰ্তনৰ স্বাভাৱিক বৰ্ণনাৰ মাজেৰে কবিয়ে 'বৰ্ষা বৰ্ণন' কবিতাটিত ভক্তি ধৰ্মৰ তাত্ত্বিক কথা কিদৰে ব্যাখ্যা কৰিছে তোমাৰ ভাষাৰে লিখাঁ। ৪

*অথবা*

(খ) 'ই যে অগ্নি বীণাৰ তান' কবিতাটিৰ মাজেৰে প্ৰকাশ পোৱা কবিগৰাকীৰ প্ৰবল স্বদেশপ্ৰেমৰ এটি আভাস দাঙি ধৰাঁ। ৪

৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ১+৩=৪

(ক) সেই গাঁও, সেই দিন গ'ল আজি সকলোটি
এৰেকেলগে সকলো হেৰাল ;
আগৰ সকলো আছে তথাপিও কিবা যেন
কাঁহ পৰি জীন যোৱা —
সকলোটি নিমাত নিতাল।



Scanned with CamScanner

(খ) ৰূপান্তৰেদি আহি

বৰণ সলাই হাঁহি

মানপীয়ে নাচে এই ভাৰতৰ মঞ্চত।

যুগ কাল বাজনাৰে কৰি লৈ সঙ্গত।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) 'বৰ্ষা বৰ্ণন' কবিতাত থকা এটা উপমাৰ ভিতৰুৱা ভাব বুজাই লিখাঁ।

(খ) কবি ডিম্বেশ্বৰ নেওগে কোনখন গাঁৱক কিয় ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ বুলি কৈছে?

(গ) অৰ্থ লিখাঁ ঃ পৰাৎপৰ, নিনাদ, কিন্নৰী।

(ঘ) সীতানাথ ব্ৰহ্মচৌধুৰীৰ *তিনিখন* কাব্যগ্ৰন্থৰ নাম লিখাঁ।

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) বৈদিক সাহিত্যৰ অন্তিম ভাগৰ নাম কি?

(খ) শংকৰদেৱে কি মন্ত্ৰেৰে আসামক আকৌ প্ৰাণ দিছিল?

(গ) প্ৰথম বিহুৰ নাচ আৰু গীত সম্পৰ্কে কোনখন অসমীয়া উপন্যাসত উল্লেখ পোৱা যায়?

(ঘ) 'পৃথিৱীৰ চৌপাশে এপাক' গ্ৰন্থৰ লেখক কোন?



Scanned with CamScanner

৬। (ক) 'বুৰঞ্জীৰ দৌৰাত্ম্য' পাঠটোৰ মাজেৰে বেজবৰুৱাৰ ব্যংগাত্মক ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে লিখাঁ। ৬

*অথবা*

(খ) বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাঁ। ৬

৭। তলত দিয়া ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৩×২=৬

(ক) ৰামায়ণ

(খ) ইন্দ্ৰধ্বজ পূজা

(গ) আসাম বন্ধু

৮। (ক) নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' উপন্যাসত ভাৰতৰ স্বাধীনতা আন্দোলন আৰু মহাত্মা গান্ধীৰ প্ৰসংগ কেনেদৰে উত্থাপিত হৈছে আলোচনা কৰাঁ। ৮

*অথবা*

(খ) 'কপিলী দুখৰো চকুলো — আনন্দৰো চকুলো।' এই উক্তিৰ আধাৰত কপিলী নদীৰ স'তে দাঁতি কাষৰীয়া মানুহৰ আত্মিক সম্পৰ্ক বিচাৰ কৰাঁ। ৮



Scanned with CamScanner

৯। (ক) ‘ৰজাপোৱালীৰ দেশ’ বুলি ঔপন্যাসিকে কোন কেইখন ঠাইৰ সাতে পাঁচে বাৰঘৰ ৰজাৰ কথা উল্লেখ কৰিছে? ২

(খ) ৰূপাচিং ৰজাই তিলক গোসাঁইলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল? ৩

(গ) ‘গোসাঁই পুখুৰী’ সৃষ্টিৰ নেপথ্যত থকা কিম্বদন্তিটো লিখাঁ। ৩

১০। তলত দিয়া ***যিকোনো এজনৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) তিলক গোসাঁই

(খ) চুধাংচু বাবু

(গ) ভাণ্ডুৰী ভকত

১১। (ক) ‘আমাৰ ছাৰ’ৰ প্ৰকৃত নাম কি? তেওঁৰ চৰিত্ৰ বিশ্লেষণ কৰি এটি টোকা যুগুত কৰাঁ।

১+৪=৫

***অথবা***

(খ) ‘হাতী’ গল্পত মূল্যবোধৰ অৱক্ষয় কেনেদৰে চিত্ৰিত হৈছে, তাৰ এটি আভাস দাঙি ধৰাঁ।

৫



Scanned with CamScanner

১২। (ক) "গালি পৰা কথাটোৰ অৰ্থ আছে।" — কি কাৰণত ছাৰে কাক গালি পাৰিছিল? ২

(খ) বলোৰাম মেধিয়ে নিজৰ কিমান বছৰ বয়স হওঁতে এটা হাতী কিনি আনিছিল? ১

(গ) বিয়াঘৰৰ পদূলিমুখত বলোৰাম বুঢ়া আৰু বাপধন স্তব্ধ স্তম্ভিত হৈ ৰোৱাৰ কাৰণ কি আছিল? ২

১৩। চুটিগল্পৰ আৰু উপন্যাসৰ মাজত থকা মিল-অমিলসমূহ দেখুৱাই এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৪। তলৰ ***যিকোনো এটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) উপন্যাসৰ চৰিত্ৰ

(খ) চুটিগল্পৰ উপাদান

(গ) বুৰঞ্জীমূলক উপন্যাস

১৫। (ক) শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ মাজত থকা পাৰ্থক্য কিহত? দুবিধ অৰ্থালংকাৰৰ সংজ্ঞাসহ উদাহৰণ দিয়া। ২+২+২=৬

***অথবা***

(খ) 'কাব্যম্ গ্ৰাহ্যম্ অলংকাৰাৎ' — এই উক্তিৰ আধাৰত কাব্য ৰমণীয় কৰাত অলংকাৰে কেনে ভূমিকা পালন কৰে উদাহৰণসহ লিখাঁ। ৬



Scanned with CamScanner

(গ) "বগাকৈ বগলী বহুলাই বহিছে

বলুকাত বিয়লি বেলা,

বকুল বাগৰিছে ববছা বনতে

বুটলি বিলাওঁগৈ ব'লা।"

— এই কাব্যপংক্তিত কি অলংকাৰ প্ৰয়োগ হৈছে? অলংকাৰবিধৰ বিষয়ে চমুকৈ লিখাঁ। ১+২=৩

(ঘ) উপমা *অথবা* অতিশয়োক্তি অলংকাৰৰ এটি উদাহৰণ দিয়া। ১

১৬। ১৮৮৯-১৯৪০ — এই সময়ছোৱাৰ *যিকোনো এগৰাকী* গল্পকাৰৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৭। (ক) *'মিৰি জীয়ৰী' সোৱণশিৰি বালিৰপৰা বুটলি অনা এচপৰা কেঁচাসোণ*। এই উক্তিৰ আধাৰত ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসখনৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা। ৬

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসৰ সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ৬

১৮। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) 'ফুল' আৰু 'সাধনা' উপন্যাস *নে* চুটিগল্প?

(খ) 'কেঁহোকলি' গল্প সংকলনটিৰ ৰচক কোন?

(গ) শৰৎচন্দ্ৰ গোস্বামীৰ *এখন* গল্পপুথিৰ নাম লিখাঁ।

———×———



Scanned with CamScanner